Series : EFGH/S

SET ~ 4

Q.P. Code **15/S**

Roll No.

Candidates must write the Q.P. Code on the title page of the answer-book.

**NOTE :**

(I) Please check that this question paper contains **15** printed pages.

(II) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.

(III) Please check that this question paper contains **20** questions.

(IV) **Please write down the Serial Number of the question in the answer-book at the given place before attempting it.**

(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the candidates will read the question paper only and will not write any answer on the answer-book during this period.

#

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : **3** hours* | *Maximum Marks : **80***

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **20** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 8 Questions no. 7 to 14*

***Section D** : 6 Questions no. 15 to 20*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

***সাধাৰণ নিৰ্দেশনা :***

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি (**৪**) ভাগত বিভক্ত ।*

*সৰ্ব্বমুঠ প্ৰশ্নৰ সংখ্যা : **২০***

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৮, প্ৰশ্ন নং ৭-১৪*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১৫-২০*

*পৰীক্ষাৰ্থীসকলে নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পুৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

## (বোধ পৰীক্ষণ) (15 Marks)

**1.** তলত অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

সভ্যতাৰ আলোকেৰে উদ্ভাসিত এখন সমাজত যোগাযোগ আৰু প্ৰচাৰৰ বাবে ব্যৱহৃত মাধ্যম সমূহৰ অন্যতম আৰু সহজলভ্য মাধ্যম হ'ল বাতৰিকাকত । বাতৰিকাকতৰ ইতিহাস দীঘলীয়া । লিপি, অৰ্থাৎ, কোৱা কথাক লিখিত ৰূপত ধৰি ৰাখিবৰ বাবে ব্যৱহৃত সংকেত বা আখৰ আৱিস্কৃত হোৱাৰ কেইশ বছৰমানৰ পিছতেই সংবাদপত্ৰৰ প্ৰচলন হ'বলৈ ধৰে । অৱশ্যে সেইবোৰ আজিৰ দৰে নাছিল । খ্ৰীষ্টজন্মৰ ৫৯ বছৰ আগতেই প্ৰখ্যাত ৰোমান সম্ৰাট জুলিয়াছ ছিজাৰৰ দিনত ৰজাঘৰৰ উদ্যোগত প্ৰচাৰিত হাতেলিখা 'এক্টা ডায়ের্না' অৰ্থাৎ দিনটোৰ বতৰাই হ'ল পৃথিৱীৰ প্ৰথম বাতৰিকাকত । এই কাকতত ৰাজসভাৰ চৰ্চা, যুদ্ধৰ বতৰা, ৰাজনৈতিক ঘটনাৱলী, প্ৰাকৃতিক দুৰ্যোগ, জন্ম-মৃত্যু সম্পৰ্কীয় বাতৰি আদি প্ৰকাশ হৈছিল । অৱশ্যে ছপাশালৰ আৱিষ্কাৰৰ ডেৰশ বছৰৰ পাছতহে সপ্তদশ শতিকাৰ আগভাগত আধুনিক বাতৰি কাকতৰ আৱিৰ্ভাৱ হয় । ভাৰতত বাতৰিকাকতৰ প্ৰচলন অষ্টাদশ শতিকাৰ পৰাহে হয় । পৰ্তুগীজসকলে প্ৰথমে ভাৰতলৈ ছপাশালৰ প্ৰযুক্তি কঢ়িয়াই আনিছিল খ্ৰীষ্টধৰ্ম

প্ৰচাৰৰ বাবে । ১৮১৮ চনত সৰ্বপ্ৰথম ভাৰতীয়ৰ দ্বাৰা প্ৰকাশিত বাতৰিকাকত 'বেংগল গেজেট' প্ৰকাশ হয় । কলকাতাৰ পৰা গংগা কিশোৰ ভট্টাচাৰ্য নামৰ এজন লোকে এইখন প্ৰকাশ কৰে । ১৯১৯ চনত মোহন দাস কৰমচাঁদ গান্ধীয়ে 'ইয়ং ইণ্ডিয়া' নামৰ এখন কাকত সম্পাদনা কৰিছিল । বিশ্বৰ অন্য প্ৰান্তৰ তুলনাত আৰু ভাৰতৰো অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ বাতৰিকাকতৰ ইতিহাস বৰ পুৰণি নহয় । মিছনেৰীসকলে অসমত ছপাযন্ত্ৰ প্ৰতিষ্ঠা কৰি ১৮৪৬ চনত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া সংবাদপত্ৰ 'অৰুনোদই' প্ৰকাশ কৰে । মিছনেৰীৰ ধৰ্ম প্ৰচাৰৰ প্ৰত্যাহ্বান জনাই শ্ৰীশ্ৰী দত্তদেৱ গোস্বামীয়ে ১৮৭১ চনত মাজুলীৰ পৰা মাহেকীয়া কাকত 'আসাম বিলাসিনী' প্ৰকাশ কৰে । নব্বৈৰ দশকটো অসমৰ বাতৰিকাকতৰ বাবে আধুনিক যুগ । বৰ্তমান অসমত বহু বাতৰিকাকত নিয়মীয়াভাৱে প্ৰকাশিত হৈ আছে ।

প্ৰাক স্বাধীনতাৰ কালত বাতৰিকাকতেই কেৱলমাত্ৰ ৰাজনীতি, বিশেষকৈ স্বাধীনতা সংগ্ৰামৰ মাজেৰে ইংৰাজৰ শাসনমুক্ত হোৱাৰ বাবে চেষ্টা চলাইছিল । স্বৰাজোত্তৰ কালত ভাৰতীয় বাতৰিকাকতে কেৱল ৰাজনীতিয়েই নহয়, অন্যান্য বিষয়বস্তুও প্ৰকাশ কৰিবলৈ লয় । আজিও ভাৰতীয় বাতৰিকাকতত ৰাজনীতিৰ বাতৰিয়ে মুখ্য স্থান পালেও খেলা-ধুলা, ব্যৱসায়-বাণিজ্য, শিল্পকলা, সংস্কৃতি আদি বিভিন্ন বিষয়েও স্থান পাইছে । ৰাজনৈতিক সংবাদ, অপৰাধমূলক সংবাদ ক্ৰীড়াবিষয়ক সংবাদ, তদন্তমূলক সংবাদ, শিল্প, নাটক আদি প্ৰতিটো দিশেই ভিন্ন ভিন্ন সাংবাদিকৰ দায়িত্বত গুৰুত্ব সহকাৰে প্ৰকাশ কৰা হয় । বৰ্তমান সময়ত বাতৰিকাকতৰ গুৰুত্ব আৰু ভূমিকা অতি তাৎপৰ্যপূৰ্ণ । প্ৰকৃততে বৰ্তমান যুগত বাতৰিকাকতে সমগ্ৰ বিশ্ব নিয়ন্ত্ৰণ কৰি আছে বুলি ক'লেও বঢ়াই কোৱা নহয় । সমাজত বাতৰিকাকতে জাগ্ৰত প্ৰহৰীৰ দৰে কাম কৰে । গণতন্ত্ৰ জনমতৰ ওপৰত প্ৰতিষ্ঠিত আৰু বাতৰিকাকত জনমত প্ৰকাশৰ মাধ্যম । জনমত গঠন আৰু জনমত প্ৰকাশৰ বাবে বাতৰিকাকতৰ দৰে শক্তিশালী মাধ্যম আন একো নাই । গণতান্ত্ৰিক দেশত 'বাক স্বাধীনতা'ৰ অধিকাৰ দিয়া হয় আৰু বাতৰি কাকতেই হ'ল বাক-স্বাধীনতাৰ অবিশেষ অংগ । গণতান্ত্ৰিক দেশত

বাতৰিকাকতৰ সম্পূৰ্ণ স্বাধীনতা থাকে। চৰকাৰৰ নীতি, আৰু কাৰ্যৱলীৰ বিৱৰণ, দেশত সংঘটিত গুৰুত্বপূৰ্ণ ঘটনাৰ বৰ্ণনা, বিভিন্ন ৰাজনৈতিক দল, উপদলৰ আদৰ্শ আৰু কৰ্মসূচী বাতৰিকাকতত প্ৰকাশ কৰা হয়। ফলত জনসাধাৰণে সকলো কথা চালি-জাৰি চাই নিজস্ব মতামতেৰে এক মতাদৰ্শ গঢ়ি তুলিব পাৰে। তাৰ ভিত্তিতেই গণতন্ত্ৰ নিয়ন্ত্ৰিত হ'ব পাৰে। বঞ্চিত, শোষিত, নিপীড়িত মানুহৰ পক্ষলৈ ন্যায় আৰু সত্যৰ পক্ষে বাতৰিকাকতে মাত মাতে। বাতৰিকাকতক জনগণৰ শিক্ষাৰ কঠীয়াতলি বুলি কোৱা হয়। বাতৰিকাকতে পাঠকৰ মানসিক ক্ষুধা নিবাৰণ কৰে আৰু দৈনন্দিন ঘটনাপ্ৰবাহৰ সু নিয়ন্ত্ৰিত লিপি।

সম্পাদক এজন বাতৰিকাকতৰ প্ৰাণ। সম্পাদকে সংবাদদাতা আৰু বাতৰিকাকতৰ আদৰ্শ প্ৰতিনিধিত্ব কৰে। এখন বাতৰিকাকতে সমাজৰ প্ৰতিটো সৰু-বৰ দিশ দাঙি ধৰে। নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিকতাৰ ওপৰত ভিত্তি কৰিয়েই এখন বাতৰিকাকত জীয়াই থাকে। কেতিয়াবা অশুদ্ধ আৰু অতিৰঞ্জিত বাতৰিয়ে সমাজত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। কেতিয়াবা এনে পৰিস্থিতিয়ে ভয়াবহ ৰূপ ধাৰণ কৰিব পাৰে। তাৰ ফলত সমাজৰ শান্তি বিঘ্নিত হয়। সেয়ে বাতৰিকাকতখনৰ প্ৰচাৰ আৰু প্ৰসাৰত সম্পাদকজনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি কোৱা হয়। বাতৰিকাকত জাতিৰ মেৰুদণ্ড। বাতৰিকাকতৰ মাজেদি জাতি, ভাষা আৰু জণগণৰ মনোভাৱ প্ৰকাশিত হয়। সমাজত ভাল বাতৰিকাকতৰ প্ৰচলনে গণতান্ত্ৰিক মূল্যবোধৰ ভেঁটি গঢ়ি তোলে। গতিকে বাতৰিকাকতৰ গুণগত মান উন্নত হোৱা উচিত।

**প্ৰশ্ন :**

(i) আধুনিক বাতৰিকাকতৰ আৱিষ্কাৰ কেতিয়া হৈছিল ? *1*

(A) অষ্টাদশ শতিকাত

(B) সপ্তদশ শতিকাৰ আগভাগত

(C) ৰোমান সম্ৰাট জুলিয়াছ ছিজাৰৰ দিনত

(D) আদিম যুগত

(ii) ভাৰতত কেতিয়াৰ পৰা বাতৰি কাকতৰ প্ৰচলন হৈছিল ? *1*

(A) অষ্টাদশ শতিকাৰ পৰা

(B) খ্ৰীষ্টজন্মৰ আগৰে পৰা

(C) সপ্তদশ শতিকাৰ পৰা

(D) স্বাধীনতা যুদ্ধৰ পিছৰ পৰা

(iii) ১৮১৮ চনত ভাৰতীয়ৰ দ্বাৰা প্ৰকাশিত বাতৰিকাকতখনৰ নাম কি ? *1*

(A) এক্টা ডায়ের্না

(B) বেংগল গেজেট

(C) ইয়ং ইণ্ডিয়া

(D) অৰুণোদই

(iv) প্ৰাক স্বাধীনতাৰ কালত বাতৰিকাকতে কোন দিশটোৰ ওপৰত গুৰুত্ব দিছিল ? *1*

(A) অপৰাধমূলক সংবাদ

(B) ক্ৰীড়া বিষয়ক সংবাদ

(C) ৰাজনৈতিক সংবাদ

(D) তদন্তমূলক সংবাদ

(v) বাতৰিকাকতৰ আন এটা নাম কি ? *1*

(A) উপন্যাস

(B) কাব্য

(C) আলোচনী

(D) সংবাদ পত্ৰ

(vi) বাতৰিকাকতৰ প্ৰাণ বুলি কাক কোৱা হৈছে ? *1*

(A) পাঠকক

(B) শিক্ষকক

(C) সম্পাদকক

(D) সমাজক

(vii) সন্ধি ভাঙা : সংবাদ *1*

(A) সম্+বাদ

(B) সং+বাদ

(C) সম+বাদ

(D) সমঃ+বাদ

(viii) বিপৰীতাৰ্থক শব্দ লিখা : স্বাধীন *1*

(A) পৰাধীন

(B) নিৰপৰাধী

(C) স্বাৰ্থপৰ

(D) দয়ালু

(ix) উপসৰ্গ বাছি উলিয়াই লিখা : দুৰ্যোগ *1*

(A) দু

(B) দুৰ

(C) দুঃ

(D) দো

(x) পৃথিৱীৰ প্ৰথম বাতৰিকাকতখনত কি প্ৰকাশ পাইছিল ? *2*

(xi) গণতান্ত্ৰিক দেশত বাতৰিকাকতত কেনেধৰণৰ বাতৰি প্ৰকাশ পায় ? *2*

(xii) বাতৰিকাকতৰ প্ৰচাৰ আৰু প্ৰসাৰত সাংবাদিকজনৰ ভুমিকা অতি গুৰুত্বপূৰ্ণ বুলি কিয় কোৱা হৈছে ? *2*

## SECTION B

**(লিখন কলা)** **(25 Marks)**

2\. (a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখা । (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব ।) 5

এজন খেতিয়কে ছাগলী এটা কান্ধত তুলি ঘৰলৈ গৈ আছিল ________ বাটত তিনিটা ধূৰ্তই লগ পালে ________ তিনিওটাৰ ছাগলীটোলৈ লোভ লাগিল ________ তিনিওটাই বুদ্ধি কৰি দূৰে দূৰে ৰৈ থাকিল ________ প্ৰথম ধূৰ্তটোৱে ক'লে ________ ককাই কুকুৰটো কিয় কান্ধত তুলি নিছে ? খেতিয়কে ক'লে, সেইটো কুকুৰ নহয়, ছাগলী ________ দ্বিতীয় ধূৰ্তটোৱেও ক'লে ________ ককাই কুকুৰটো কিয় নিছে ? খেতিয়কে একেই উত্তৰ দিলে । তৃতীয় ধূৰ্তটোৱেও একেই প্ৰশ্ন কৰাত খেতিয়কৰ খং উঠিল ________ ছাগলীটো কান্ধৰ পৰা নমাই দিলে ________ লৰালৰিকৈ তাৰপৰা গুছি গ'ল ________ ।

**নাইবা (OR)**

(b) তলত দিয়া যিকোনো এখন ৰচনা লিখা —

(i) ছাত্ৰৰ কৰ্তব্য

(ii) শৈক্ষিক ভ্ৰমণ

3\. 'গ' বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা 'তৰ্ক প্ৰতিযোগিতা' খনৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা ।) 5

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা : *5*

(i) ইন্দ্ৰৰ সভাত ফেঁচাৰ কুৰুলি

(ii) এনেয়ে বুঢ়ী নাচনী, তাতে নাতিনীয়েকৰ বিয়া

**5.** (a) তোমাৰ অঞ্চলত হোৱা বানপানীৰ সমস্যাৰ বিষয়ে জনাই ইয়াৰ সাহাৰ্যৰ বাবে জিলা উপায়ুক্তলৈ এখন আবেদন পত্ৰ যুগুত কৰা। (তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা।) *5*

**নাইবা (OR)**

(b) তুমি তোমাৰ চলিত পৰীক্ষাৰ বাবে কেনেকৈ প্ৰস্তুত হৈছিলা সেইবিষয়ে জনাই বান্ধবী/বন্ধুলৈ এখন চিঠি লিখা। ( চিঠিত নাম, ঠিকনা সাংকেতিক আখৰত লিখিবা।)

**6.** তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা — (যিকোনো ৫টা) *5×1=5*

(i) গা উঠ

(ii) ঘৰ গিৰী

(iii) চকুৰ কুটা

(iv) মুখৰ ওপৰত ক

(v) দাঁত লগা

(vi) গা সাৰ

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

**7.** তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখা : *4×1=4*

(i) মনস্তাপ =

(A) মন+স্তাপ

(B) মন্+তাপ

(C) মন+ইস্তাপ

(D) মনঃ+তাপ

(ii) ভাস্কৰ =

(A) ভাস+কৰ

(B) ভাঃ+কৰ

(C) ভা+স্কৰ

(D) ভ+আস্কৰ

(iii) নদীয়াল =

(A) নদী+আল

(B) নদ+ঈয়াল

(C) নদ+ইয়াল

(D) নদি+আল

(iv) ময়ো =

(A) ম+ইয়ো

(B) মই+য়ো

(C) মই+ও

(D) মই+ইও

**8.** শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা : *2×1=2*

(i) ''উচ্ছল'' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) উচ

(B) উৎ

(C) উ

(D) উচ্ছ

(ii) ''প্ৰতীতি'' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) পৰ

(B) প্ৰ

(C) প্ৰতী

(D) প্ৰতি

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা : *2×1=2*

(i) ''তো'' অনুসৰ্গটো কি অৰ্থত ব্যৱহাৰ কৰা হয় ।

(A) আদেশ

(B) দৃঢ়তা

(C) অনুৰোধ

(D) অনিশ্চয়তা

(ii) তলত আঁচ টনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

<u>তয়ো</u> যাবি ।

(A) ও

(B) য়ো

(C) ইও

(D) উ

**10.** শুদ্ধ সমাৰ্থক শব্দ লিখা : *2×1=2*

(i) পৃথিৱী =

(A) ভাগ্য

(B) বিধি

(C) শতদল

(D) ধৰণী

(ii) মেঘ =

(A) সমীৰ

(B) অভিপ্ৰায়

(C) জলধৰ

(D) ক্ষমা

**11.** বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা : *2×1=2*

(i) জাগৰণ =

(A) অজাগৰণ

(B) নিদ্ৰা

(C) মিলন

(D) গৰ্ব

(ii) নিৰ্মল =

(A) সবল

(B) কুৎচিত

(C) ক'লা

(D) মলিন

**12.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা : *4×1=4*

(i) সমাজত থাকিলে বহু কথাই এৰা-ধৰাকৈ চলিব লাগিব।

(A) জটিল বাক্য

(B) ইচ্ছাসূচক বাক্য

(C) যৌগিক বাক্য

(D) সৰল বাক্য

(ii) যিখন কিতাপ হেৰাইছিল, সেইখন কিতাপ পালোঁ।

(A) জটিলবাক্য

(B) যৌগিকবাক্য

(C) আবেগসূচক বাক্য

(D) সৰল বাক্য

(iii) অসম প্ৰাকৃতিক সম্পদত চহকী কিন্তু উদ্যোগৰ ক্ষেত্ৰত দুখীয়া।

(A) প্ৰশ্নবোধক বাক্য

(B) সৰল বাক্য

(C) যৌগিক বাক্য

(D) মিশ্ৰ বাক্য

(iv) হিমালয় ভাৰতৰ উত্তৰ সীমাৰ জাগ্ৰত প্ৰহৰী।

(A) মিশ্ৰ বাক্য

(B) সৰলবাক্য

(C) জটিল বাক্য

(D) যৌগিক বাক্য

**13.** তলত দিয়া ক্ৰিয়াৰূপ দুটাৰ ধাতু নিৰ্ণয় কৰা : *2×1=2*

(i) খেলিছিল

(ii) ৰান্ধিলে

**14.** উত্তৰ লিখা : *2×1=2*

(i) অতীত কাল কেইপ্ৰকাৰৰ ?

(ii) মই চিঠি লিখি আছো । — বাক্যটো কি কালৰ বাক্য ?

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**15.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : *4*

(i) তাৎপৰ্য ব্যাখ্যা কৰা —

উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান ।

(ii) 'অৰণ্যযাত্ৰা' পাঠটিত শিক্ষক-শিক্ষয়িত্ৰী সকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল ? সেই সমস্যাৰ সমাধান কেনেদৰে কৰা হ'ল ?

(iii) ''লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল ।'' — কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল ? এই ৰূপান্তৰ কেনেদৰে ঘটিছিল পাঠৰ আধাৰত বুজাই লিখা ।

**16.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা — *2*

(i) অসমত ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে অসমীয়াৰ ঠাইত বঙালা ভাষাটো শিক্ষাৰ মাধ্যম কৰাৰ কাৰণ কি আছিল ?

(ii) মহীচন্দ্ৰ মিৰি কোন ? কাজিৰঙাক বিশ্ব দৰবাৰত চিনাকি কৰাই দিবলৈ তেওঁ কেনে ভূমিকা লৈছিল ?

(iii) এজন সফল উদ্যোগী হ'বলৈ কি কি গুণৰ প্ৰয়োজন ?

**17.** উত্তৰ লিখা : *4×1=4*

(i) ইয়াণ্ডাবু সন্ধি কোন চনত হৈছিল ?

(ii) লোকগীত কাক বোলে ?

(iii) মানুহ সুস্থ শৰীৰেৰে জীয়াই থাকিবলৈ কি গেছৰ প্ৰয়োজন ?

(iv) বিল গেট্‌চ কোন ?

## (পদ্য ভাগ)

**18.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : *4*

(i) ব্যাখ্যা কৰা :

মক্কাৰ দুৱাৰত চাহাব তিৰবেণীৰ ঘাট ।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ।।

(ii) ব্যাখ্যা কৰা :

সনক সনন্দ যোগী যাহাকু ধিয়ায় ।
সকল নিগমে যাক বিচাৰি নপায় ।।

(iii) ''প্ৰশস্তি'' কবিতাটোত প্ৰকৃতিৰ সুধাৰ মাজত কিদৰে সুন্দৰৰ সাধনা লুকাই আছে বৰ্ণনা কৰা ।

**19.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা : *2*

(i) শ্ৰীশ্ৰী মাধৱদেৱে তেওঁৰ ৰচনাৰজিত কিয় ঘৰুৱা ভাৱ-ভাষা ব্যৱহাৰ কৰিছিল ?

(ii) জিকিৰ আৰু জাৰী গীতবোৰৰ লগত কোনবোৰ গীতৰ সুৰৰ সাদৃশ্য দেখিবলৈ পোৱা যায় ?

(iii) 'প্ৰশস্তি' কবিতাটোত কবিয়ে দেৱতাৰ মহা অভিযান ক'ত ক'ত চলিছে বুলি কৈছে ?

**20.** উত্তৰ লিখা : *4×1=4*

(i) 'মোহপাশ' মানে কি ?

(ii) কবি ৰঘুনাথ চৌধাৰীৰ একমাত্ৰ গল্পপুথিখনৰ নাম কি ?

(iii) আজান ফকিৰৰ আচল নাম কি ?

(iv) শ্ৰী শ্ৰী মাধৱদেৱৰ দ্বাৰা ৰচিত এখন ঝুমুৰাৰ নাম লিখা ।